# শ্ৰদ্ধাঞ্জলি ঃ ৰামধেনু যুগৰ স্ৰষ্টালৈ

ড° মলয়া খাওন্দ

ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য। এটি পৰিচিত নাম। অৱশ্যে এই পৰিচয় কেৱল যুগজয়ী সাহিত্য-স্ৰষ্টা অথবা সেই সাহিত্য-কৰ্মৰ স্বীকৃতি স্বৰূপে লাভ কৰা ৰাষ্ট্ৰীয় স্তৰৰ বঁটা বিজেতা হিচাপে নহয়, এই পৰিচয় বহু পুৰাতন। সেইয়া হ'ল পঞ্চাশৰ দশকৰ পৰা ষাঠিৰ প্ৰথমাৰ্দ্ধলৈকে নিৰবিচ্ছিন্নভাৱে প্ৰকাশিত হোৱা অসমীয়া বৌদ্ধিক জগতত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলোৱা মাহেকীয়া আলোচনী 'ৰামধেনু'ৰ সম্পাদক হিচাপে খ্যাতি অৰ্জা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য মাথোন। অসমীয়া ভাষা-সাহিত্যৰ ধ্বজাধাৰী আলোচনী অৰুণোদয়, জোনাকী, বাঁহী, আৱাহন, জয়ন্তী আদিৰ দৰেই অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'ৰামধেনু'ও এক যুগ— নিৰ্ণায়ক সংবাদ-পত্ৰ।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ সম্পাদনাত প্ৰকাশিত এই উচ্চমান বিশিষ্ট আলোচনীখনৰ বিষয়ে সু-সমালোচক নন্দ তালুকদাৰে কৈছে... 'যুদ্ধোত্তৰ আৰু স্বাধীনোত্তৰ যুগৰ নানান জটিল মানসিকতা, জাতীয় কৃষ্টি চিন্তা-চৰ্চাৰ আলোচনা, ... সাহিত্যৰ বিভিন্ন ধাৰাৰ তুলনামূলক আলোচনা, সাম্প্ৰতিক সাহিত্যৰ মূল্যাংকন 'ৰামধেনু'ৰ প্ৰধান আলোচ্য বিষয়। 'ৰামধেনু' আলোচনীক কেন্দ্ৰ কৰিয়েই মুক্তক ছন্দৰ কবিতা, আধুনিক কবিতাৰ বিকাশ আৰু বিস্তাৰ সম্ভৱ হৈছিল। চুটিগল্পৰ ক্ষেত্ৰতো আৱাহন যুগৰ গতানুগতিকতাৰ পৰা আঁতৰি আহি ন ন গল্প লিখক সকলে 'ৰামধেনু'ৰ মান উন্নীত কৰিছিল। 'ৰামধেনু'ক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছিল এচাম ন লিখক। 'ৰামধেনু' আলোচনীয়ে 'ৰামধেনু যুগ' আখ্যা লাভ কৰিব পাৰিছিল।

*[ বীৰেন্দ্ৰ ভট্টাচাৰ্য্যৰ সাহিত্য-কৃতি, পৃষ্ঠা ১১]*

ভট্টাচাৰ্য্যদেৱে নিজেও এই সন্দৰ্ভত কৈছে ঃ

'সেই সময়ত গোটেই ভাৰতবৰ্ষত আধুনিক কবিতাৰ যিটো আন্দোলন চলিছিল আৰু যিটো বঙালী সাহিত্যত বেছিকৈ পৰিস্ফুট হৈছিল সেইটোৰ লগত মোৰ কিছু পৰিচয় আছিল। দ্বিতীয়তে সেই সময়ত ইংৰাজী কবিতাও মই কিছু পঢ়িছিলো। কাজেই প্ৰথম আধুনিক কবিতাৰ যি পৰিৱৰ্তনৰ ঢৌ আহিছিল সেই সোঁতটোক মই এখন আলোচনীৰ মাজেদি প্ৰতিফলিত কৰিবলৈ বিচাৰিছিলো... স্বৰ্গীয় হেম বৰুৱা, আমাৰ নৱকান্ত বৰুৱা বা নতুনকৈ ওলোৱা আন কিছু কবিৰ ক্ষেত্ৰত সেই ধাৰণাটো ইতিমধ্যে হৈছিল। ... 'ৰামধেনু'ৰ যোগেদি সি পৰিস্ফূট হ'ল। সেইদৰে চুটিগল্প আৰু উপন্যাসতো এটা পৰিৱৰ্তন আহিল।'

[কীৰ্তিকমল ভূঞাৰ লগত হোৱা ভট্টাচাৰ্য্যৰ সাক্ষাৎকাৰ গৰীয়সী ঃ নৱেম্বৰ ১৯৯৭]

'ৰামধেনু' আলোচনীৰ পাততেই বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ স্বৰচিত এলানি কবিতা প্ৰকাশ পায়। 'নামহীন', 'অৰ্ঘ্য', 'শ্বিলঙত ৰাতিপুৱা', 'আফ্ৰিকা' আদি কবিতাক 'ৰামধেনু'ৰ কাব্যামোদী পাঠকে পাহৰিব নোৱাৰে। তাৰে দুটি পংক্তিৰ উদ্ধৃতি দিয়া হ'ল—

'... কওঁ নেকি, নিশাবোৰ শ্বিলঙত এতিয়াও ভয়লগা
... কওঁ নেকি, কাকিয়াত— আড্ডাবোৰ
অমানুহ নিৰ্মান যন্ত্ৰ
কওঁ নেকি, শঙ্কৰ-চৈতন্য-যীশু মহাত্মাৰ
হতাশা ই ৰাজধানী
— মানুহৰ নৱজন্ম কেৱল ইয়াত হাঁয়
কেৰাণীৰ পালেং চাহৰ স্বপ্ন।'

*(শ্বিলঙত ৰাতিপুৱা)*

সেই সময়ৰ অসমৰ ৰাজধানী শ্বিলং চহৰৰ নিৰ্মম বাস্তৱ ছবি কবিৰ কল্পনাত ভাঁহি উঠাৰ দৰে সুদূৰ আফ্ৰিকাৰ পৰিস্থিতিয়েও মানৱতাবাদী বীৰেন্দ্ৰ কুমাৰক বিব্ৰত কৰি তুলিছে।

'হে কৃষ্ণ আফ্ৰিকা, তোমাক নমস্কাৰ।
মই লুইতৰ কবি,
দেখিছো পৰ্ব বস্ত্ৰ হৰণৰ ওৰে ৰাতি
সেই তপ্ত সুবৰ্ণৰ লুণ্ঠনকাৰীৰ
বিলাস সভাত।
.................
কুমাৰী আফ্ৰিকা অনেক দিনৰ সুপ্তি আজি শেষ,
অনেক ৰাত্ৰিৰ মিথ্যা অসত্যৰ আৰ্বজনা
আজিও ধ্বংসৰ অপেক্ষাত...
... জানো মাতৃক প্ৰতিষ্ঠা কৰা
মহাৰণ এতিয়াও অসম্পূৰ্ণ।
তথাপি তোমাক কৰিছো নমস্কাৰ বাৰম্বাৰ।
মৃত্যুক কৰিছা জয় অমৃত মাৰ্গৰে,
য'ত আছে মুক্তিৰ মুকলি আৰু দীনতম,
মানৱৰ চিৰ-নিৰ্ভয়ৰ শান্তি আৰু সবাৰ আনন্দ।'

বীৰেন্দ্ৰ কুমাৰৰ অন্যতম শ্ৰেষ্ঠ কবিতা হ'ল— 'বিষ্ণুৰাভা! এতিয়া কিমান ৰাতি'— যাক অসমীয়া কবিতা প্ৰেমীয়ে সততে পাহৰিব নোৱাৰে। বিশেষকৈ প্ৰতি বছৰে হোৱা 'ৰাভাদিৱস' সমূহত হোৱা এই কবিতাৰ সুৰীয়া আবৃত্তিত যেন ৰাভাদেৱৰ উদাও কণ্ঠৰ সুৰ অসমৰ আকাশে-বতাহে নিনাদিত হয়।

'ৰামধেনু'ৰ বিষয়ে ডঃ হীৰেণ গোঁহাই দেৱে কৈছে— 'ভট্টাচাৰ্য্য দেৱৰ সম্পাদনাতে অসমীয়া আধুনিক কবিতা সাহিত্য জগতৰ ৰৰঘৰত সোমাল, গল্পৰ ক্ষেত্ৰত নতুন ৰীতি আৰু ভংগীৰ প্ৰৱৰ্তন হ'ল, সমালোচনাৰ ক্ষেত্ৰতো নতুন চিন্তাৰ উন্মেষ ঘটিল। আধুনিক যুগলৈ আমাৰ সাহিত্যৰ উত্তৰণ ঘটিল।'

*[ গৰীয়সী, বীৰেন্দ্ৰ ভট্টাচাৰ্য্য ঃ শ্ৰদ্ধাৰ্ঘ, পৃষ্ঠা ১৩]*

সমগ্ৰ অসমৰ পাঠক-পাঠিকাৰ বহু-সমাদৃত আলোচনী 'ৰামধেনু'ৰ 'গুৰুত্ব' উপলব্ধি কৰি 'ডাৱৰ আৰু নাই' খ্যাত ঔপন্যাসিক যোগেশ দাসে কৈছে—

'... অসমীয়া সাহিত্যৰ যুদ্ধোত্তৰৰ
ৰামধেনু যুগত তেওঁ দি যোৱা নেতৃত্ব
আমাৰ মাজৰ লিখক-লিখিকাই
অকাতৰে স্বীকাৰ কৰো।'

*[ গৰীয়সী, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ শ্ৰদ্ধাৰ্ঘ্য, পৃষ্ঠা ৭]*

প্ৰসঙ্গ ক্ৰমে 'অকাতৰে স্বীকাৰ কৰা' সকলৰ ভিতৰত দুই-এজন প্ৰথিতযশা লেখক-লেখিকাৰ উক্তি দাঙি ধৰা হ'ল। ৰামধেনু যুগত ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ চুটিগল্পসমূহ আছিল সকলোৰে বহু আকাঙ্খিত। শইকীয়া দেৱে কৈছে—

'ৰণভঙ্গ' নামৰ গল্প এটা ডাকযোগে পঠাই ৰামধেনুৰ লগত সম্পৰ্ক স্থাপন কৰিছিলো। কিছুদিনৰ পিছতে গল্পটো ছপা হৈছিল। কথাটো মোৰ বাবে বৰ উৎসাহজনক আছিল। ... এইয়া মই মন দি গল্প লিখিবলৈ লোৱাৰ প্ৰথম পৰ্য্যায়। ৰামধেনু আছিল কাৰণেই ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, সৌৰভ কুমাৰ চলিহা, মহিম বৰা, যোগেশ

দাস, হোমেন বৰগোহাঞি আদি লিখকৰ সৃষ্টি হৈছিল। অসমীয়া ভাষা-সাহিত্যৰ এছোৱা গুৰুত্বপূৰ্ণ সৃষ্টিশীল সময়ত এচাম প্ৰতিভা সম্পন্ন লিখক-লিখিকা আৰু ৰামধেনুৱে কান্ধত ধৰা-ধৰি কৰি পাঠকৰ মাজত বা অসমীয়া সাহিত্যজগতত বিচৰণ কৰিছিল।

*[ প্ৰান্তিক আলোচনী পৃষ্ঠা ৯]*

স্বনামধন্য সাংবাদিক সাহিত্যিক চন্দ্ৰ প্ৰসাদ শইকীয়াদেৱে মত প্ৰকাশ কৰিছিল যে সম্পাদক হিচাপে ভট্টাচাৰ্য্য অতি ভাগ্যবান আছিল। আজিৰ সম্পাদকৰ দৰে তেওঁ লেখক বিচাৰি যাব নালাগিছিল বৰং ক'ব পাৰি, পাঠকতকৈও লেখা অধিক সাজু আছিল। বৰ্তমানৰ আটাইকেইজন প্ৰবীন প্ৰথিতযশা লেখকে ৰামধেনুত নিজৰ ৰচনা প্ৰকাশ কৰিছিল বুলি শইকীয়াদেৱে কয়। কলিকতা বিশ্ববিদ্যালয়ৰ ছাত্ৰাৱস্থাতে 'এদিন' নামৰ সৰু উপন্যাস এখন 'ৰামধেনু'ত প্ৰকাশ কৰাৰ বাবে ডাক-যোগে পঠিয়াই লৈ তেখেতৰ মনত সৃষ্টি হোৱা উগুল-থুগুল ভাৱ কাব্যিক ভাবে বৰ্ণনা কৰিছে—

'মোৰ জীৱনৰ প্ৰথম সাহিত্য ৰচনা'

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই তেওঁৰ প্ৰখ্যত আলোচনীত প্ৰকাশ কৰিব নে নকৰিব... মোৰ উপন্যাস পঢ়ি তেওঁৰ মনৰ অৱস্থা কেনে হৈছে সুখৰ নে দুখৰ, ক্ৰোধৰ অথবা বিৰক্তিৰ? ... মোৰ জীৱনৰ প্ৰথম সাহিত্য কৰ্মৰ ক্ষেত্ৰত বীৰেন ভট্টাচাৰ্য্য সঁচাকৈয়ে উদাৰ নোহোৱাকৈ থাকিবনে? শ্ৰেণীকক্ষত, ট্ৰামত, বাছত যাওঁতে... কাৰ্জন পাৰ্কত ... কফি হাউচত মন মোৰ আক্ৰান্ত কৰিছিল সেই একেটা ভাৱেই ঃ মোৰ ৰচনা পঢ়ি সম্পাদক ভট্টাচাৰ্য্যৰ মুখমণ্ডলৰ অভিব্যক্তিয়ে কি ৰূপ লৈছে?

— অনতিপলমে সম্পাদকৰ পৰা অহা দুটা বাক্যই, আপোনাৰ 'এদিন' পঢ়ি আনন্দ পালো। অহা সংখ্যাৰ পৰা ধাৰাবাহিক ভাবে প্ৰকাশ পাব' চন্দ্ৰ প্ৰসাদ শইকীয়াৰ ভাষাত 'আনন্দই মোৰ জীৱন যেন পৰমানন্দেৰে উদ্বেলিত কৰিলে। জ্যোতি প্ৰসাদৰ দৰে নিজৰ আনন্দতে নিজে নাচিবৰ মন গ'ল। প্ৰথম প্ৰেমৰ জোৱাৰৰ দৰে, সৃষ্টিৰ আনন্দই মোক যেন উটুৱাই লৈ গ'ল। সেইদিনা সন্ধিয়া কাৰ্জন পাৰ্কৰ বননিত বহি দেখিলো— কি মহিমামণ্ডিত মহা সুন্দৰ এই বিশাল আকাশ।

*[ কথা সাহিত্য-আলোচনীৰ 'আলোচনী সম্পাদনাৰ কথা' পৃষ্ঠা ২৯৫-২৯৬]*

অসমৰ জনপ্ৰিয় কথা সাহিত্যিক হোমেন বৰগোহাঞিদেৱেও 'আত্মানুসন্ধান'ত মন্তব্য দিছেঃ 'বীৰেন দাৰ সম্পাদনাত ইতিমধ্যে বিখ্যাত 'ৰামধেনুযুগ' আৰম্ভ হ'ল আৰু আগৰ জনৰ সম্পাদকৰ দিনত অমনোনীত হৈ পৰি থকা মোৰ কবিতাকেইটামান এটা এটাকৈ প্ৰকাশ পাবলৈ আৰম্ভ কৰিলে। অৰ্থাৎ, ময়ো ৰামধেনুৰ বিখ্যাত কাব্য আন্দোলনৰ আগৰণুৱা ভলণ্টিয়াৰ হিচাপে পৰিগণিত হ'লো।

*[ পৃষ্ঠা ২০]।*

অসমীয়া সাহিত্যৰ স্বনামধন্যা লেখিকা নিৰুপমা বৰগোহাঞিয়েও *বীৰেন্দ্ৰ ভট্টাচাৰ্য্যঃ শ্ৰদ্ধাৰ্ঘ (গৰীয়সী)*ত শেষ সাক্ষাৎ শীৰ্ষক এক ব্যক্তিগত ৰচনাত আবেগিক ভাবে লিখিছে যে শাৰীৰিক অসুস্থতাৰ বাবে হস্পিতেলত থাকোতেও বীৰেনদাক দেখা কৰিব নোৱাৰিলে। পলমকৈ হ'লেও অন্তৰৰ শ্ৰদ্ধাঞ্জলি যাঁচিছে কবিগুৰুৰ এইযাৰ কথাৰে—

'এনেছিলে সাথে কৰে মৃত্যুহীন প্ৰাণ
মৰণে তাহাই তুমি কৰে গেলে দান।'

কোৱা বাহুল্য, নিৰুপমা বৰগোহাঞিৰো লিখাৰ 'আৰম্ভণি আৰু তাৰ পিছৰ প্ৰসাৰ, সকলো সেই 'ৰামধেনু'ৰ পাততেই হৈছিল।

*[ পৃষ্ঠা ৫০]*

ওপৰৰ আলোচ্য কেইগৰাকীৰ উপৰিও অসমীয়া ভাষা সাহিত্যাকাশৰ ভোটা তৰা স্বৰূপ চৈয়দ আব্দুল মালিক, যোগেশ দাস, সম্পাদক স্বয়ং নিজে, সৰ্বভাৰতীয় সাহিত্য সৰস্বতী বঁটা সন্মানী কথা শিল্পী লক্ষ্মীনন্দন বৰা,

মেদিনী চৌধুৰী, বীৰেশ্বৰ বৰুৱা, অতুলানন্দ গোস্বামী, ক্ষীৰোদ শইকীয়া কামাখ্যা সভাপণ্ডিত, দুল ফুকন, নীলিমা দেৱী, ৰত্নওজা আৰু অন্যান্য বহুতৰ চুটিগল্প, হেমবৰুৱা, কবি নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, হোমেন বৰগোহাঞি, অজিৎ বৰুৱা, হৰি বৰকাকতি, নলিনীধৰ ভট্টাচাৰ্য্য, নীলমণি ফুকন, হীৰেণ গোঁহাই, ৰামগগৈ, হীৰেন ভট্টাচাৰ্য্য, মহিম বৰা, হৰেকৃষ্ণ ডেকা, নিৰ্মলপ্ৰভা বৰদলৈৰ লগতে প্ৰবীন কবি অম্বিকাগিৰী ৰায় চৌধুৰীকে ধৰি অন্যান্য নানান চিন্তাশীল প্ৰৱন্ধত ডিম্বেশ্বৰ নেওগ, মনোৰঞ্জন শাস্ত্ৰী, বিপিন পাল দাস, 'বকুল বন'ৰ কবি আনন্দ বৰুৱা, ৰাজেন হাজৰিকা, যতি নাৰায়ণ শৰ্মা, হীৰেন গোহাঁই, জ্ঞানানন্দ শৰ্মা পাঠক, হোমেন বৰগোহাঞি, ৰামচন্দ্ৰ দাস, গগণ চন্দ্ৰ সোনোৱাল, যোগেন বৰুৱা আদি অনেক ন-পুৰণি সমালোচকৰ সমদল সাহিত্য যাত্ৰাৰে ৰামধেনুৰ ৰং চলিছিল। সেয়েহে 'ৰামধেনু'ৰ যুগমীয়া অৱদান' সম্পৰ্কত ডঃ শৈলেন ভৰালীয়ে কৈছে—

'ৰামধেনু যুগৰ পিছত তিনিটা দশক ইতিপূৰ্বে পাৰ হৈ গ'ল। কিন্তু কোনো এটা দশকেই ৰামধেনু যুগৰ প্ৰাচুৰ্য্যক চেৰ পেলাব নোৱাৰিলে।

*[ পূৰ্বোক্ত আলোচনী পৃষ্ঠা ৭২]*

'বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ৰামধেনু যুগৰ স্ৰষ্টা' বুলি মন্তব্য দিয়া ডঃ যোগেন্দ্ৰ নাৰায়ণ ভূঞাই এই দৰেও কৈছে যে— এটা যুগ সৃষ্টি কৰিবলৈ আলোচনী এখনে যিমানখিনি গুণ গৌৰৱ অৰ্জন কৰা দৰ্কাৰ, সেইখিনি 'ৰামধেনু'ৰ আছিল। কোৱা বাহুল্য যে তাৰ মূলতে আছিল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ সম্পাদকীয় কৃতিত্ব। বিশ্বৰ সকলো মহৎ সাংবাদিকেই একোজন বৰেণ্য সাহিত্যিক। ভট্টাচাৰ্য্যৰ ক্ষেত্ৰতো ই অন্যথা নহয়। 'ৰামধেনু'ৰ সাময়িক প্ৰসঙ্গ, সম্পাদকীয় শিতান নানান চিন্তাশীল তথ্যৰে সমৃদ্ধ। বৃহত্তৰ অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিভিন্ন সংস্কৃতি পৰম্পৰাৰ প্ৰসাৰ আৰু প্ৰচাৰ কৰা, এচাম প্ৰতিভা সম্পন্ন সৃষ্টিশীল লিখকক সৃষ্টি কৰাৰ উদ্দেশ্য আৰু সৰ্ব ভাৰতীয় সাহিত্য-সংস্কৃতি মঞ্চৰ বা-বাতৰিৰে ৰামধেনুৰ সম্পাদকীয় পৰিপূৰ্ণ আছিল। 'ৰামধেনু'ৰ যুগতেই ভাৰতীয় সাহিত্য-সংস্কৃতিৰ উত্তৰোত্তৰ উন্নতিৰ বাবে প্ৰতিষ্ঠা কৰা সাহিত্য একাডেমী আৰু ললিত কলা একাডেমী আদিৰ বিষয়ে কলামোদী অসমীয়া সকলৰ অৱগত হৈছিল। নাৰীৰ সৰ্বাঙ্গীন উৎকৰ্ষৰ বাবেও মুকলি আছিল এটি শিতান 'লেছেৰি' য'ত যি কোনো লিখক বা লেখিকাই নাৰীৰ উত্তৰণ সম্পৰ্কীয় লেখা আগবঢ়াব পাৰে। ভট্টাচাৰ্য্যৰ নিজৰ সমাজবাদী চিন্তা-চৰ্চাও মুকলিকৈ প্ৰকাশ কৰিছিল। ভাৰতৰ সাম্প্ৰতিক সমস্যাবোৰো ফঁহিয়াই দেখুৱাইছিল। তেনে এক দৃষ্টান্ত হ'ল— 'বৰ্তমান শিক্ষা-পদ্ধতিত সমাজৰ সকলোকে পঢ়িবলৈ বা শিকিবলৈ সুবিধা নেপায়। ফলত সমাজখন, শিক্ষিত আৰু অশিক্ষিত এই দুটা শ্ৰেণীত বিভক্ত হৈছে। নতুন সাহিত্য সৃষ্টিৰ সমস্যা, লিখকৰ স্বাধীনতা, জাতীয় উৎসৱৰ ক্ৰটি, সাহিত্য সমালোচনাৰ উন্নতিৰ পথ, অসমীয়া সাহিত্যৰ বৈদেশিক অনুবাদ আদিয়েই প্ৰধান।

'ৰামধেনু'ৰ দৰে 'নৱযুগ'ৰ মুকলি চিন্তা শিতানত ভট্টাচাৰ্যদেৱে নিজৰ মতামত দাঙি ধৰিছিল মুক্ত ভাবে। 'উচ্চ মনা অথচ জনতাৰ প্ৰতি দায়বদ্ধ নিৰপেক্ষ সাংবাদিক বীৰেন্দ্ৰ কুমাৰৰ ওপৰত দিয়া সু-সমালোচক ডঃ হীৰেন গোহাঁইৰ মন্তব্য গুৰুত্বপূৰ্ণ। ... উল্লেখ কৰা দৰকাৰ যে আধুনিক সাহিত্যৰ অভ্যন্ত আত্মকেন্দ্ৰিকতা আৰু 'একাকিত্ব'ৰ মোহৰ বিপৰীতে একেখন 'ৰামধেনু'ৰ পৃষ্ঠাতে ৰাম গগৈ আৰু কেশৱ মহন্তৰ কবিতা প্ৰকাশ হৈছিল। বিনোৱা ভাবেৰ বিষয়ে আলোচনা ঠাই পাইছিল। কেইবাটাও চিন্তা গধুৰ বিতৰ্কই শিক্ষিত সমাজত আলোড়ন তুলিছিল।

সাহিত্য একাডেমী অথবা ভাৰতীয় সাহিত্যৰ সৰ্বোচ্চ সাহিত্য-সন্মান জ্ঞানপীঠ বঁটা বিজয়ী বীৰেন্দ্ৰ কুমাৰৰ এই সাহিত্যিক স্বীকৃতি সম্পূৰ্ণৰূপেই সাধনা লব্ধ। নিজৰ অধ্যৱসায়, নিষ্ঠা আৰু একাগ্ৰতাৰ পৰিচয় পঢ়াশলীয়া জীৱনতে দেখা গৈছিল। কৈশোৰৰ পৰাই মন-প্ৰাণ নিমজ্জিত হৈছিল অধ্যয়নত, সাহিত্য সৃষ্টিত স্কুলীয়া হাতে লিখা নতুবা কটনিয়ানেই তাৰ সাক্ষী বহণ কৰি আহিছে। ভট্টাচাৰ্য্য ছাত্ৰ হিচাপে কেবল মেধাৱীয়েই নাছিল— দেশী-বিদেশী নানান সাহিত্য ৰস-পান কৰাৰ নিচাও মজ্জাগত আছিল।

সাহিত্য একাডেমীৰ 'Meet the Author' শীৰ্ষক (২৩ ডিচেম্বৰ '৮৮) নতুন দিল্লীত হোৱা এক সভাত আত্ম কথা হিচাপে ভট্টদেৱে কৈছিল— নিজৰ জীৱনৰ তিনিটা সময় সাপেক্ষ অধ্যায় বা ভাগৰ বিষয়ে। সেই তিনিটা হ'ল— উজনি অসমৰ চাহ-বাগিচাত কটোৱা বাল্যকাল, স্কুল আৰু কলেজত আনুষ্ঠানিক শিক্ষা লাভ কৰা যুৱা কাল আৰু সংবাদ সেৱা আৰু সৃষ্টিশীল লিখনিৰ চেষ্টা কৰা পৰিপক্ক প্ৰৌঢ় কাল। এই তিনিটা অধ্যায়ত লাভ কৰা চাক্ষুস

অভিজ্ঞতাই এই সৃষ্টিশীল লিখকজনক সমল যোগালে অপৰ্য্যাপ্ত পৰিমাণে। এই কথা অসমীয়া সুধী সমাজৰ প্ৰত্যেকৰে বিদিত যে ভট্টাচাৰ্য্যৰ প্ৰথম উপন্যাস 'ৰাজপথে ৰিঙিয়াই'ৰ (১৯৫৫) প্ৰতিপাদ্য বিষয় ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনটো, 'আই' (১৯৬০) 'মুনিচুনিৰ পোহৰ'ত ক্ৰমে ভাস্বৰ হৈ উঠিছে নিজৰ জন্মদাত্ৰী মাতৃগৰাকী আৰু নিজৰ গাঁও দিহা বা ঢেকিয়াখোৱাৰ আৰ্থ সামাজিক দিশ; সাহিত্য একাডেমী বঁটা প্ৰাপ্ত উপন্যাস ইয়াৰুইঙ্গম' (১৯৬০) গঢ়ি উঠিছে নগা বিদ্ৰোহক কেন্দ্ৰ কৰি, জ্ঞানপীঠ বঁটা বিজয়ী মৃত্যুঞ্জয় উপন্যাসৰ মূল বিষয় বস্তু '৪২ ৰ 'ভাৰত ত্যাগ আন্দোলনত অসমত ঘটা হিংসাত্মক ঘটনা এটা; ১৯৩৯ ত সংঘটিত হোৱা বনুৱা আন্দোলন বা ধৰ্মঘটক কেন্দ্ৰ কৰি গঢ়ি উঠিছে 'প্ৰতিপদ' (১৯৭০) বাংলা দেশৰ মুক্তি সংগ্ৰামৰ ভেটিত সেই দৰেই 'কবৰ আৰু ফুল' (১৯৭২) উপন্যাস ৰচিত হৈছে। 'কালৰ হুমুনিয়াহ (১৯৬২) অসমৰ চাহ বাগিচাৰ শ্বেতকায় চাহাবৰ শোষণ পীড়নৰ বাস্তৱ ছবি ভিত্তিক উপন্যাস— যি বাল্য কালত চফ্ৰাই বাগিচাত নিজে দেখা অভিজ্ঞতাৰ এক দলিল স্বৰূপ। এনেদৰেই বীৰেন্দ্ৰ কুমাৰৰ সমূহ উপন্যাসেই বাস্তৱ জীৱনত, বিশেষকৈ অসমৰ বা ভাৰতৰ জাতীয় জীৱনত ঘটা একো একোটা ঘটনাক কেন্দ্ৰ কৰি গঢ়ি উঠিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য একেধাৰে কবি, চুটিগল্প লিখক, ঔপন্যাসিক, অনুবাদক, ভ্ৰমণ কাহিনী লিখক, জীৱনীকাৰ, চিন্তাশীল, নিৱন্ধ লিখক আৰু খ্যাতনামা সাংবাদিক। এই সীমিত প্ৰবন্ধত এই মহান ব্যক্তিজনৰ সাহিত্য চৰ্চাৰ অৱকাশ নাই। আমি মাত্ৰ উনুকিয়াইছো।

ভট্টাচাৰ্য্যদেৱ সদায় নিজৰ আদৰ্শত অচল-অটল। সাংবাদিক জীৱনত দাৰিদ্ৰ্যই বাৰুকৈয়ে পীড়িছিল— তথাপি জাগতিক প্ৰলোভন নেওচি গৃহস্থী জীৱন আৰু সাহিত্যিক জীৱনত সমান্তৰাল ভাবেই শান্তিৰেই আগবাঢ়ি গৈছিল অন্তিম মুহূৰ্তলৈকে! বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ এই সফলতাৰ অন্তৰালত আছিল তেখেতৰ অৰ্দ্ধাঙ্গিনী বিনীতা ভট্টাচাৰ্য্য— যি আছিল স্বামীৰ মনে বিচৰা আদৰ্শ সহচৰী।

তেখেতৰ মৃত্যু দিৱসত এই দুটি কলীয়া আখৰেৰেই শ্ৰদ্ধাঞ্জলি জনাইছোঁ। তেখেত সদায় আমাৰ সমাজত স্মৰণীয় হৈ থাকিব।